DAILY ASSAM

# ২৫। অৰ্থানুসাৰে বাক্য বিভাজন

২৫ ঃ ১ বাক্যৰ গঠনৰ ফালেদি আমি ইতিমধ্যে বাক্যৰ প্ৰকাৰ আলোচনা কৰি আহিছোঁ। বাক্যৰ অৰ্থ অনুসাৰেও বাক্যবোৰক বিভাগ কৰিব পাৰি। যথা—

**(১) নিৰ্দেশাত্মক বাক্য (Indicative of Assertive Sentence) ঃ** সাধাৰণ মনৰ ভাব সাধাৰণভাৱে প্ৰকাশ পালে এই শ্ৰেণীৰ বাক্য হয়। ই দুবিধ। যথা-

(ক) অস্ত্যৰ্থক বাক্য (Affirmative) ঃ স্বীকাৰ, সম্ভৱ, হয় আদি বুজোৱা বাক্য। মই খাম। সি ঘৰলৈ যায়।

(খ) নঞৰ্থক বাক্য (Negative) ঃ অস্বীকাৰ, অসম্ভৱ, নহয় আদি অস্ত্যৰ্থকৰ বিপৰীত অৰ্থ বুজায় তেনে বাক্যই নঞৰ্থক বাক্য। যেনে—

মই নাখাম। সি ঘৰলৈ নাযায়।

**(২) প্ৰশ্নবোধক বাক্য (Interrogative) ঃ** যি বাক্য উচ্চাৰণ কৰিলে মনৰ মাজত প্ৰশ্ন জাগে, তেনে বাক্যই প্ৰশ্নবোধক বাক্য। নিৰ্দেশাত্মক বাক্যবোৰক প্ৰশ্নবোধক বাক্য হিচাপে পাব পাৰি। যথা—

মই খামনে? সি ঘৰলৈ যাবনে? মই নাযামনে? সি ঘৰলৈ নাযায়নে?

**(৩) ইচ্ছাবাচক বাক্য (Optative) ঃ** কোনো প্ৰাৰ্থনা বা ইচ্ছা প্ৰকাশ কৰা বাক্যই ইচ্ছাবাচক বাক্য।

যথা— ঈশ্বৰে তোমাৰ মংগল কৰক। তুমি যেন পৰীক্ষাত প্ৰথম হোৱা। ভালে-কুশলে থাক।

**(৪) আজ্ঞাবাচক (Imperative) ঃ** আজ্ঞা, অনুৰোধ, নিষেধ আদি ভাব প্ৰকাশ কৰা বাক্যই আজ্ঞাবাচক বাক্য। যথা—

ব্যাকৰণ মন পুতি পঢ়। দৰখাস্তখন লিখি দিয়ক। শিক্ষকৰ কথা অমান্য নকৰিবা।

**(৫) সন্দেহবাচক (Dubitative) ঃ** যিবোৰ বাক্যই মনৰ মাজত সন্দেহ ভাব জগাই তোলে সেইবোৰ বাক্যই সন্দেহবাচক বাক্য। নিৰ্দেশাত্মক বাক্যত 'সম্ভৱতঃ', 'হয়তো', 'বোধহয়', 'আশা কৰোঁ' আদি ক্ৰিয়া বিশেষণ ৰূপে ব্যৱহাৰ কৰিলে সন্দেহৰ ভাব জগাই তোলে। তাকে সন্দেহ- বাচক বাক্য বোলে। যথা—

তুমি বোধহয় ব্যাকৰণ মন পুতি নপঢ়া। তেওঁ হয়তো দৰখাস্ত নিলিখিব। আশা কৰো তুমি সুখী হ'বা। সম্ভৱতঃ সিহঁত সুখী হৈছে।

**(৬) ভাববোধক বাক্য (Exclamatory) ঃ** অন্তৰৰ তীব্ৰ হৰ্ষ, বিষাদ, ক্ৰোধ, ঘৃণা আদি বিভিন্ন ভাবৰ হঠাৎ প্ৰকাশ পালে ভাববোধক বাক্য হয়। যথা—

বাঃ কি সুন্দৰ দৃশ্য! বেচ কি চমৎকাৰ কাহিনী! হায় হায়! কি মৰ্মন্তুদ দৃশ্য! ছিঃ এনে কথাও কয়নে!

**(৭) সম্ভাব্য (Conditional Sentence) ঃ** কোনো চৰ্ত, সম্ভাব্য আদি প্ৰকাশ পোৱা বাক্যক বুজোৱা হয়। যথা—

মন পুতি ব্যাকৰণ নপঢ়িলে, ভাষা শিকিব নোৱাৰি।

DAILY ASSAM



দৰমহা পালে, ধাৰ পৰিশোধ কৰিম।

যদি মই যাওঁ, তুমিও ওলাবা।

২৫ ঃ ২ এনে বাক্যবোৰক এটি প্ৰকাৰৰ পৰা অন্য প্ৰকাৰলৈ পৰিৱৰ্তন কৰিব পাৰি। যথা–

নিৰ্দেশাত্মক (ক) অস্ত্যৰ্থক– সি মন পুতি ব্যাকৰণ পঢ়ে।

(খ) নঞৰ্থক – সি মন পুতি ব্যাকৰণ নপঢ়ে।

প্ৰশ্নবোধক (ক) অস্ত্যৰ্থক– সি মন পুতি ব্যাকৰণ পঢ়েনে?

(খ) নঞৰ্থক– সি মন পুতি ব্যাকৰণ নপঢ়েনে?

ইচ্ছাবাচক – সি মন পুতি ব্যাকৰণ পঢ়ক।

সন্দেহবোধক (ক) অস্ত্যৰ্থক– সি সম্ভৱতঃ মন পুতি ব্যাকৰণ পঢ়ে।

(খ) নঞৰ্থক– সি বোধহয় মন পুতি ব্যাকৰণ নপঢ়ে।

সম্ভাব্য বাক্য–

(ক) অস্ত্যৰ্থক –সি মন পুতি ব্যাকৰণ পঢ়িলে, যথেষ্ট জ্ঞান পাব।
বা যদি সি মন পুতি ব্যাকৰণ পঢ়ে, যথেষ্ট জ্ঞান পাব।

(খ) নঞৰ্থক – সি মন পুতি ব্যাকৰণ নপঢ়িলে, ভাষা শিকিব নোৱাৰিব।
বা যদি সি মন পুতি ব্যাকৰণ নপঢ়ে, তেন্তে ভাষা শিকিব নোৱাৰে।

## অনুশীলনী

১। বাক্য সংকোচন আৰু সংযোজন বুলিলে কি বুজা?

২। কি কি উপায়ে বাক্য সংকোচন কৰিব পাৰি?

৩। কি কি উপায়ে বাক্য সংযোজন কৰিব পাৰি?

৪। তলৰ বাক্যকেইটিক একেটি বাক্যলৈ নিয়া ঃ

(ক) সি ঘোঁৰাত উঠিল। ঘোঁৰাটো ঘনাই ঘনাই চাবুকেৰে আঘাত কৰিব ধৰিলে। সি তেতিয়া খুব দৌৰিব ধৰিলে। তাৰ গতি ঠিক বিজুলীৰ নিচিনা আছিল। সি উত্তৰ মুৱা হৈ দৌৰিব ধৰিলে।

(খ) ৰাতি পুৱাইছে মাথোন। সূৰ্য উদয় হোৱাই নাই। বাগিছাত ফুলৰ ওপৰত ভোমোৰাবোৰে গুণ গুণাই উৰি ফুৰিছে। ফুলৰ গোন্ধ বোকোচাতে লৈ মলয়া বতাহ বব ধৰিছে। সেই সময়তে বাগিচাত সোমাই মই তন্ময় হৈ পৰিলোঁ।

৫। অৰ্থানুসাৰে বাক্যক কেই প্ৰকাৰত ভগাব পাৰি? প্ৰত্যেক বিধৰ নামোল্লেখ কৰি উদাহৰণ দিয়া।

৬। তলত দিয়া বাক্যবোৰৰ নামোল্লেখ কৰি অন্য কিমান প্ৰকাৰলৈ নিব পাৰি তাৰে ৰূপ কৰাঁ ঃ

(ক) ভগৱানে তোমাৰ মংগল কৰক। (খ) যত্ন কৰিলে সিদ্ধ হয়। (গ) বেয়া চৰিত্ৰৰ লোকক কোনোৱে ভাল নাপায়। (ঘ) মনৰ পৱিত্ৰতাই প্ৰকৃত সুখ। (ঙ) কেতিয়াও মিছা কথা নক'বাঁ।